

আলোকচিত্ৰ ঃ ইণ্টাৰনেট

৭৯ বছৰীয়া ঐতিহ্যৰ সংবাহক

# জনমভূমি

Regd. No. PMG-17, RNI NO.-1129/57 ■ THE JANAMBHUMI
৭৯ বছৰ ■ যোৰহাট ■ সংখ্যা ১১ ■ বুধবাৰ ■ ১৩ জেঠ, ১৯৪৭ শক ■ মূল্য ঃ ৫ টকা
79 Years ■ JORHAT ■ VOLUME 11 ■ Wednesday, May 28, 2025 ■ Price : 5.00

## পঞ্চায়ত নিৰ্বাচন ২০২৫

### কোন বাটে আগুৱাইছে অসমৰ বিৰোধী ?

সংকল্পজিৎ শইকীয়া
হেমন্ত বৰা

শেহতীয়া পঞ্চায়ত নিৰ্বাচনত ৰাজ্যখনৰ মূল বিৰোধী দল ভাৰতীয় জাতীয় কংগ্ৰেছে প্ৰদৰ্শন কৰা শোচনীয় ফলাফলে ২০২৬ত অনুষ্ঠিতব্য অসম বিধানসভাৰ নিৰ্বাচনৰ ফলাফলৰ ক্ষেত্ৰত কি ইংগিত বহন কৰিছে সেই কথা অনুধাৱন কৰাটো দলৰ ৰাজ্যিক নেতৃত্বৰ বাবে বৰ্তমান সময়ত অতিকে জৰুৰী। পূৰ্বৰ পৰা প্ৰচলিত সাধাৰণ ধাৰণা অনুসৰি পঞ্চায়ত নিৰ্বাচনত শাসকীয় দলৰ জয়ৰ সম্ভাৱনা অধিক হয়। সেই প্ৰেক্ষাপটত এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত শাসকীয় বিজেপি মিত্ৰজোঁটৰ জয়লাভ প্ৰত্যাশিত আছিল। কিন্তু ২০১৮ চনৰ পঞ্চায়ত নিৰ্বাচনৰ তুলনাত ২০২৫ৰ পঞ্চায়ত নিৰ্বাচনত বিৰোধী কংগ্ৰেছ দলৰ ফলাফল তথৈবচ। ২০১৮ চনৰ পঞ্চায়ত নিৰ্বাচনত জিলা পৰিষদৰ মুঠ ৪২০খন আসনৰ ভিতৰত কংগ্ৰেছে ১৪৭খন আসন (৩৫% আসন) দখল কৰিছিল, ইয়াৰ বিপৰীতে ২০২৫ চনৰ নিৰ্বাচনত জিলা পৰিষদৰ মুঠ ৩৯৭খন আসনৰ ভিতৰত দলটোৱে কেৱল ৭২খন

■ শেষাংশ পাঁচ পৃষ্ঠালৈ

# হিমন্ত বনাম গৌৰৱ

### ২০২৬ত হ'ব দুই নেতাৰ সমুখ সমৰ

অমল গোস্বামী

বিধানসভাৰ নিৰ্বাচনলৈ মাজত আৰু এটা বছৰো নাই। এনে সময়তে প্ৰদেশ কংগ্ৰেছৰ নতুন সভাপতি হিচাপে নিযুক্তি দিয়া হ'ল যোৰহাটৰ সাংসদ গৌৰৱ গগৈক। ধাৰাবাহিকভাৱে প্ৰতিটো নিৰ্বাচনতে পৰাজিত হোৱাৰ বাবেই প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ পদৰ পৰা ভূপেন বৰাক আঁতৰাই গৌৰৱ গগৈক নিযুক্তি দিয়াত ৰাজ্যৰ ৰাজনীতিতো খলকনিৰ সৃষ্টি হৈছে। কংগ্ৰেছ কৰ্মীসকল উৎসাহিত হৈ পৰাৰ বিপৰীতে মূৰৰ কামোৰণি বৃদ্ধি পাইছে শাসকীয় পক্ষৰ। বিগত লোক সভাৰ নিৰ্বাচনত যোৰহাটত গৌৰৱ গগৈৰ অভূতপূৰ্ব জয়ৰ দৰেই বিধানসভাৰ নিৰ্বাচনতো কংগ্ৰেছে শাসনৰ বাঘজৰীডাল নিজৰ হাতলৈ আনিবলৈ সক্ষম হ'ব বুলি দলটোৰ শীৰ্ষ নেতৃত্বই আশা কৰিছে। দলটোৱে একমাত্ৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতিকে সলনি কৰা নহয়, ইয়াৰ সমানে সমানে সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলক সন্তুষ্ট কৰাৰ বাবে সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ, চাহ জনগোষ্ঠীৰ নেত্ৰী ৰ'জলিনা তিৰ্কীক আৰু দক্ষিণ অভয়াপুৰী সমষ্টিৰ ভাষিক



সংখ্যালঘু বিধায়ক প্ৰদীপ সৰকাৰক প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিছে। উল্লেখযোগ্য যে কংগ্ৰেছৰ এগৰাকী জ্যেষ্ঠ তথা প্ৰভাৱশালী নেতা, তিনিবাৰকৈ অসমৰ মুখ্যমন্ত্ৰীৰ আসন অলংকৃত কৰা প্ৰয়াত তৰুণ গগৈৰ পুত্ৰ গৌৰৱ গগৈয়ে দুবাৰকৈ কলিয়াবৰ আৰু বৰ্তমান যোৰহাট সমষ্টিৰ পৰা লোক সভাত

■ শেষাংশ পাঁচ পৃষ্ঠালৈ

## মাজুলীৰ মমী পেগুৱে দেখুৱাইছে আশাৰ পোহৰ

উৎপল কুমাৰ কলিতা

ব্ৰহ্মপুত্ৰই পলসেৰে সমৃদ্ধ কৰা উৰ্বৰ ভূমি মাজুলী। মাজুলীত আছে কৃষি কৰ্মৰ প্ৰচুৰ সম্ভাৱনা। এনে সম্ভাৱনাকে তুলি ধৰি নিজে স্বাৱলম্বী হোৱাৰ লগতে এতিয়া বহু যুৱক-যুৱতী, মহিলাৰ মাজত স্বাৱলম্বনৰ সোপান ৰচনা কৰিছে এগৰাকী যুৱ উদ্যোগী মমী পেগুৱে।



■ শেষাংশ এঘাৰ পৃষ্ঠালৈ

## পুৰুষ নিৰ্যাতন আইনৰ সঠিক প্ৰয়োগ কিদৰে সম্ভৱ ?

হাবিবুল্লাহ আহমেদ

সামাজিক সুস্থিৰতা আৰু ভাৰসাম্যতা ৰক্ষাৰ বাবে আইন ব্যৱস্থাৰ গুৰুত্ব অতি গভীৰ। সাধাৰণতে সমাজত মহিলাৰ ওপৰত হোৱা নিৰ্যাতনক লৈ অধিক আলোচনা কৰা হয়, কিন্তু পুৰুষ নিৰ্যাতনৰ বিষয়টো বহু ক্ষেত্ৰত উপেক্ষিত হৈ থাকে। একো একোটা দিন পাৰ হোৱাৰ লগে লগে পুৰুষ নিৰ্যাতনৰ সমস্যাই গভীৰ ৰূপ ধাৰণ কৰি আছে। সমাজত এই বিষয়টোক লঘু



কৰি লোৱা হয়, ফলত বহু পুৰুষে নিজৰ অধিকাৰ ৰক্ষা কৰিবলৈ সক্ষম নহয়। আইন ব্যৱস্থাই পুৰুষ আৰু মহিলাৰ ক্ষেত্ৰত সমতা কিদৰে নিশ্চিত কৰিব আৰু আইনৰ সঠিক প্ৰয়োগ কিদৰে সম্ভৱ হ'ব, এইটো অন্যতম গুৰুত্বপূৰ্ণ প্ৰশ্ন।

পুৰুষ নিৰ্যাতন বিভিন্ন প্ৰকাৰে হ'ব পাৰে। গৃহস্থলীত, কাৰ্যস্থানত তথা সমাজৰ বিভিন্ন ক্ষেত্ৰত পুৰুষে মানসিক, শাৰীৰিক আৰু আৰ্থিক নিৰ্যাতনৰ সন্মুখীন

■ শেষাংশ পাঁচ পৃষ্ঠালৈ

## 'মিল্ক মে'ইড' কণ্ডেন্সড মিল্কৰ সুস্বাদু কাহিনী

পংকজ কুমাৰ নেওগ

ঔপনিৱেশিকতাবাদে ভাৰতলৈ 'কণ্ডেন্সড মিল্ক' বা ঘনীভূত গাখীৰ আনে আৰু পুঁজিবাদৰ সৈতে লগ লাগি ই মিল্ক মে'ইডক চহৰীয়া ৰান্ধনিশালৰ বিভিন্ন জুতি লগা খাদ্য প্ৰস্তুতিত এবিধ প্ৰধান উপাদান কৰি তোলে। হয়তো কেইবাটাও ভাৰতীয় প্ৰজন্মই এই কথা শুনি ডাঙৰ হৈছে যে যদি তেওঁলোকে সুস্বাস্থ্য আৰু অধিক শক্তিৰ অধিকাৰী হ'ব বিচাৰে তেওঁলোকে নিয়মিতভাৱে নিশ্চয় গাখীৰ পান কৰিব লাগিব। কিন্তু যুগ যুগ ধৰি গাখীৰে নিয়মীয়াভাৱে দুগ্ধপান কৰাসকলক নিৰ্ভৰযোগ্য পৰিপুষ্টিৰ প্ৰতিশ্ৰুতি দিব পৰা নাছিল।



ভাৰতত বিশেষকৈ চহৰ অঞ্চলত গাখীৰ অসুৰক্ষিতভাৱে থকাৰ সম্ভাৱনা অনেক। গ্ৰীষ্মমণ্ডলীয় ৰ'দত প্ৰায়ে খোলা টিনৰ পাত্ৰত গাখীৰ ভৰাই ইফালৰ পৰা সিফাললৈ পৰিবহণ কৰা কাৰ্যই ইয়াক অব্যৱহাৰ্য কৰি তুলিছিল। পৰিষ্কাৰ- পৰিচ্ছন্নতাৰ অভাৱৰ সৈতে অসৎ ব্যৱসায়ীয়ে গাখীৰ ভেজাল কৰা কাৰ্যও আছিল এক স্থায়ী চিন্তাৰ বিষয়। বিভিন্ন অঞ্চলত গাখীৰ সমানে উপলব্ধ হোৱা নাছিল আৰু গাখীৰৰ মানৰ ক্ষেত্ৰতো এক গভীৰ বৈষম্য আছিল। গাখীৰ দিয়া জীৱ-জন্তুৰ বিশেষকৈ গৰুৰ উৎপাদনশীলতা কম হোৱাৰ বাবে যোগান আছিল অতি কম আৰু অনিয়মীয়া। খাদ্য লেখক মাৰ্ক কুৰলানস্কিয়ে তেওঁৰ গ্ৰন্থ 'Milk : The 10,000 Year Food

■ শেষাংশ ন পৃষ্ঠালৈ